# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-NOV-2025
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। শ্ৰীমদ্ ভাগৱত গীতাৰ সাৰমৰ্মই সমগ্ৰ পৃথিৱীতে মানৱীয়তাৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

২। হিন্দী চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰৰ আজি মুম্বাইত দেহাৱসান ঘটে।

৩। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে পৰহিলৈ সংবিধান দিৱস উপলক্ষে সমগ্ৰ দেশতে তিনি তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

৪। ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণে চলিত বছৰত বিসঙ্গতিপূৰ্ণ ফোন নম্বৰ আৰু বিসঙ্গতিপূৰ্ণ মেছেজ পঠিওৱা উৎসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছৰ সামৰণি মাৰিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে শ্ৰীমদ্ ভাগৱত গীতাৰ সাৰমৰ্মই কেৱল দেশৰ নাগৰিকসকলকে সামৰি লোৱা নাই বৰঞ্চ সমগ্ৰ পৃথিৱীতে মানৱীয়তাৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ত আয়োজিত আন্তঃৰাষ্ট্ৰীয় গীতা সন্মিলনত ভাষণ দি তেওঁ কয় যে শ্ৰীমদ্ ভাগৱত গীতাৰ নীতি-আদৰ্শই ভাৰতৰ প্ৰতিটো প্ৰজন্মক প্ৰভাৱিত কৰি আহিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে ৫ হাজাৰ বছৰ পূৰ্বৰ এই মহান গ্ৰন্থখনৰ শিকনিসমূহে মানৱীয়তাৰ উত্তৰণ ঘটাবলৈ সমৰ্থ হৈছে। স্বামী জ্ঞানানন্দজী মহাৰাজ, হাৰিয়ানাৰ পৰিবহন মন্ত্ৰী অনিল ৱিজ, সামাজিক ন্যায় মন্ত্ৰী কৃষ্ণ বেদী, সাংসদ নবীন জিন্দাল আৰু বহুতো গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি এই সন্মিলনখনৰ উদ্বোধন কৰে।

ooooo

ভাৰতীয় চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰৰ আজি মুম্বাইত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীক ১২ দিন পূৰ্বে চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। ১৯৩৫ চনৰ ৮ ডিচেম্বৰত লুধিয়ানাত জন্মগ্ৰহণ কৰা ধৰ্মেন্দ্ৰ কৃষাণ দেউলেই পাছলৈ বলিউদত ধৰ্মেন্দ্ৰ হিচাপে উজলি উঠিছিল। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ সুদৰ্শন, সফল তাৰকা হিচাপে পৰিচিত আৰু বলিউদৰ হি মেন হিচাপে খ্যাত ধৰ্মেন্দ্ৰই প্ৰায় ৬৫ বছৰীয়া অভিনয় জীৱনত কমেও ৩০০ খন চলচ্চিত্ৰত অভিনয় কৰে। ১৯৬০ চনত **দিলভি তেৰা হামভি তেৰে** শীৰ্ষক চলচ্চিত্ৰৰে হিন্দী চলচ্চিত্ৰ জগতত অভিষেক ঘটা ধৰ্মেন্দ্ৰই পৰৱৰ্তী চলচ্চিত্ৰ **আয়ে মিলন কি বেলা, ফুল অৰ পাথ্থৰ, আয়ে দিন বাহাৰ কে** আদিৰ জৰিয়তে অনুৰাগীসকলৰ বিপুল প্ৰশংসা লাভ কৰে। ষষ্ঠ আৰু অষ্টম দশকত কেইবাখনো চলচ্চিত্ৰত অভিনয়ৰে দৰ্শকক মোহাচন্ন কৰা অভিনেতাগৰাকীয়ে নৱম দশকৰ পৰা চৰিত্ৰ অভিনয় কৰিবলৈ আৰম্ভ কৰে। সৰ্বকালৰ জনপ্ৰিয় **শ্বোলে** ছবিত বিৰুৰ চৰিত্ৰত কৰা অভিনয়েৰে তেওঁ বিশেষ খ্যাতি আৰু জনপ্ৰিয়তা অৰ্জন কৰে।

২০১২ চনত পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰই চলচিত্ৰত কৰা অভিনয়ৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। ৰাজস্থানৰ বিকানেৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰি ভাৰতীয় জনতা পাৰ্টীৰ পৰা ২০০৪ চনত তেওঁ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ধৰ্মেন্দ্ৰৰ বিয়োগত দেশৰ অগনন অনুৰাগীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অভিনেতা তথা প্ৰাক্তন সাংসদগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি দিয়া বাৰ্তাত কয়, যে তেওঁৰ বিয়োগ ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে অপূৰণীয় ক্ষতি। নিজৰ অনবদ্য অভিনয়েৰে তেওঁ অগণন অনুৰাগী আৰু উদীয়মান শিল্পীক অনুপ্ৰাণিত কৰি গৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধৰ্মেন্দ্ৰৰ বিয়োগে ভাৰতীয় চলচ্চিত্ৰৰ এটা যুগৰ সমাপ্তি ঘটাইছে বুলি মন্তব্য কৰে। এগৰাকী অভিনেতা, সাংসদ আৰু সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হিচাপে তেওঁক জনসাধাৰণে সদায় মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

ooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে পৰহিলৈ সংবিধান দিৱস উপলক্ষে সমগ্ৰ দেশতে তিনি তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত এক বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে এই বছৰৰ সংবিধান দিৱস উপলক্ষে সম্পাদক বিবেক ভৰদ্বাজ আৰু জ্যেষ্ঠ বিষয়া তথা কৰ্মচাৰীসকলৰ উপস্থিতিত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। দেশৰ সকলোবোৰ গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিব।

ooooo

ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণে এই বছৰটোত ২১ লাখ বিসঙ্গতিপূৰ্ণ ফোন নম্বৰ আৰু বিসঙ্গতিপূৰ্ণ মেছেজ পঠিওৱা ১ লাখ উৎসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। ভাৰতীয় নাগৰিকসকলে ৰুজু কৰা গোচৰৰ ভিত্তিত প্ৰাধিকৰণে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে সমগ্ৰ দেশতে দূৰসংযোগ ব্যৱস্থাৰ ক্ষেত্ৰখনত হোৱা অপপ্ৰয়োগৰ বাবে গ্ৰাহকসকলে এনে ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় আৰু তৎকালীনভাৱে ল'ব পৰা উপায় হিচাপে গ্ৰাহকসকলক ডি এন ডি ব্যৱস্থাৰ সহায় ল'ব পাৰে। ইয়াৰ জৰিয়তে প্ৰাধিকৰণে বিসঙ্গতিপূৰ্ণ নম্বৰটোৰ বিশদ তথ্য উলিয়াবলৈ সমৰ্থ হয়।

ooooo

জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই সাক্ষাতৰ সময়ত মন্ত্ৰীগৰাকীয়ে তেওঁক জনজাতি লোকসকলৰ কল্যাণৰ বাবে মন্ত্ৰালয়ে গ্ৰহণ কৰা উদ্যমসমূহৰ বিষয়ে তেওঁক অৱগত কৰে। শ্ৰীৰাধাকৃষ্ণণে চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ লাভালাভ জনজাতি সম্প্ৰদায়ৰ সকলো শ্ৰেণীৰ বাবে সুনিশ্চিত কৰা সন্দৰ্ভত আলোকপাত কৰে। জনজাতি সম্প্ৰদায়ৰ কল্যাণ সুনিশ্চিত হ'লেহে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰা যাব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে দোহাৰে।

জনজাতি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গুণগত মানৰ উচ্চ শিক্ষাৰ সুবিধা সুনিশ্চিত কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰি শ্ৰীৰাধাকৃষ্ণণে বিগত ১১ বছৰত এই মন্ত্ৰালয়ৰ বাবে বাজেটত আৱণ্টিত ধন তিনি গুণ বৃদ্ধি কৰাৰ বিষয়টোৰ শলাগ লয়।

ooooo

দেশৰ কেইখনমান ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়া নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত কংগ্ৰেছ আৰু টি এম চিকে ধৰি বিৰোধী দলসমূহে বাধাৰ সৃষ্টি কৰিছে বুলি বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ শুধাংশু ত্ৰিবেদীয়ে কয় যে দেশত স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ বাবে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ অত্যন্ত প্ৰয়োজন। কংগ্ৰেছৰ নেতা আৰু ঝাৰখণ্ডৰ মন্ত্ৰী ইৰফান আনচাৰিয়ে বুথ পৰ্যায়ৰ বিষয়াসকলৰ সন্দৰ্ভত কৰা মন্তব্য সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি শ্ৰীত্ৰিবেদীয়ে এনে ধৰণৰ মন্তব্যক নিন্দনীয় বুলি প্ৰকাশ কৰে। পশ্চিম বংগত বুথ পৰ্যায়ৰ বিষয়াক ভাবুকি দিয়াৰ বাবে টি এম চিৰ মুথ পৰ্যায়ৰ এজেণ্টৰ বিৰুদ্ধে উঠা অভিযোগ সন্দৰ্ভত বিজেপিৰ মুখপাত্ৰজনে কয় যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত বাৰম্বাৰ

প্ৰৰোচনামূলক মন্তব্য প্ৰদান কৰি আহিছে। লোকসভাত বিৰোধী নেতা ৰাহুল গান্ধী দেশৰ মুখ্য ন্যায়াধীশগৰাকীৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত নথকাৰ বিষয়ে উল্লেখ কৰি শ্ৰীত্ৰিবেদীয়ে কয় যে ইয়াৰ দ্বাৰা দেশৰ সাংবিধানিক ব্যৱস্থাৰ প্ৰতিচ্ছবিক কলংকিত কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কানাডা ভ্ৰমণৰ সময়ত অণ্টেৰিঅ'ৰ অৰ্থনৈতিক উন্নয়ন, নিয়োগ সৃষ্টি আৰু বাণিজ্য মন্ত্ৰী ভিক্টৰ ফেডেলীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোৱেলে কয় যে তেওঁলোক দুয়োগৰাকীয়ে ভাৰত আৰু কানাডাৰ মাজৰ বাণিজ্য শক্তিশালী কৰাৰ লগতে বিনিয়োগৰ সুযোগ বৃদ্ধি আৰু বিভিন্ন খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি ভূটানত উপস্থিত হৈ প্ৰধানমন্ত্ৰী শ্বেৰিং টব্‌গেক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে মন্ত্ৰীগৰাকীয়ে কয় যে ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে হোৱা আলোচনাই ভাৰত আৰু ভূটানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব আৰু দুয়োখন দেশ বিভিন্ন দিশত সহযোগিতাৰে আগবাঢ়ি যাবলৈ সক্ষম হ'ব।

০০০০০

গোৱাত অনুষ্ঠিত হৈ থকা ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি শ্বাহিদ ষ্টুডিঅ'ৰ দ্বাৰা পৰিচালিত কংকনী চুটি ছবি **ঘৰ** প্ৰদৰ্শিত হৈ যায়। ৰবি কিশোৰ আৰু ৰোহিত খাণ্ডেকৰে মুখ্য ভূমিকা ৰূপায়ণ কৰা এই ছবিখনত এখন ঘৰ আৰু ঘৰখনৰ সদস্যসকলৰ মাজত থকা বিভিন্ন অনুভূতিসমূহ সুন্দৰভাৱে দেখুৱাবলৈ চেষ্টা কৰা হৈছে। সম্পূৰ্ণৰূপে গোৱাত চিত্ৰগ্ৰহণ কৰা এই ছবিখনৰ বাহিৰেও পূৰ্বৰ গোৱাৰ চলচ্চিত্ৰ মহোৎসৱত একে প্ৰযোজনাৰ ৫খন ছবি প্ৰদৰ্শিত হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই শোচনীয়ভাৱে প্ৰথম ইনিংছৰ সামৰণি মাৰে। ইয়াৰ ফলত কালি এটাও উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা খেল আৰম্ভ কৰা ভাৰতক আলহী দলটোৱে প্ৰথম ইনিংছত ২৮৮ ৰানৰ বৃহৎ ব্যৱধানেৰে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰে। সন্ধিয়া তৃতীয় দিনৰ সামৰণিলৈকে আলহী দল দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছৰ খেলত ২৬ ৰানত এটাও উইকেট নেহেৰুৱাকৈ সৰ্বমুঠ ৩১৪ ৰানৰ অগ্ৰগতি লাভ কৰে।

০০০০০

সমাপ্ত